**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date :** 06-02-2025
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
**:::::::::::::::::::::::::::::::**

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ প্ৰাক মুহূৰ্তত জাপানৰ ৰাষ্ট্ৰদূতৰ সৈতে আজি সন্ধিয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰে। গুৱাহাটী এখন ব্যক্তিগত হোটেলত অনুষ্ঠিত এই বৈঠকত জাপানৰ ৰাষ্ট্ৰদূতগৰাকীৰ উপৰি দেশখনৰ আন কেইবাগৰাকীও উদ্যোগী আৰু বুদ্ধিজীৱী উপস্থিত থাকে। জাপানৰ প্ৰতিনিধিবৰ্গৰে সৈতে হোৱা বৈঠকৰ অন্তত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ আগত কয়, যে এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ আৰু অসমক কেন্দ্ৰ কৰি ভাৰত-জাপানৰ উদ্যোগপতিসকলৰ মাজত দেখা দিয়া উৎসাহে অসমক অনাগত দিনত উদ্যোগীকৰণৰ দিশত আগুৱাই নিব। এখন সন্মিলন অনুষ্ঠিত কৰিলেই অসম সলনি নহয় বুলি উল্লেখ কৰি তেওঁ কয়, যে এনে সন্মিলনে প্ৰথমে পৰিৱেশ সলনি কৰিব আৰু সেই পৰিৱেশৰ পৰাহে অসমৰ পৰিৱৰ্তন হ'ব। এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ জৰিয়তে অসমক আন্দোলন বিবৰ্জিত শান্তিপ্ৰিয় অঞ্চল হিচাপে বিশ্বৰ আগত চিনাকি কৰাই দিবলৈ বিচৰা বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০

ৰাজ্যৰ মহাধিবক্তা দেৱজিৎ শইকীয়াই গুৱাহাটী উচ্চ ন্যায়ালয়কে ধৰি গুৱাহাটীৰ কেউখন আদালত চৌহদ উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰ কৰা হ'বই বুলি পুনৰ স্পষ্ট কৰি দিছে। কটন কলেজ এলুমনাই হলত অনুষ্ঠিত এটা সম্বৰ্ধনা অনুষ্ঠানত অংশগ্ৰহণ কৰি মহাধিবক্তাগৰাকীয়ে কয়, যে ৰংমহলৰ ১৩৮ বিঘা মাটিত ৰাজ্য চৰকাৰে ন্যায়িক নগৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিছে। আদালত চৌহদ ৰংমহললৈ স্থানান্তৰ হলে অধিবক্তাসকলৰ অধিক সুবিধা হ'ব বুলি উল্লেখ কৰি দেৱজিৎ শইকীয়াই কয়, যে উচ্চ ন্যায়ালয়ৰ বৰ্তমানৰ চৌহদত যান-বাহন ৰাখিবৰ বাবে পৰ্যাপ্ত স্থান নাই। ইয়াৰ উপৰি উচ্চ ন্যায়ালয়ৰ বিচাৰপীঠৰ সংখ্যা ৩০ খনলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছে। বিচাৰপীঠৰ সংখ্যা বৃদ্ধি হোৱাৰ লগে লগে পুনৰ আদালত চৌহদ নিৰ্মাণ কৰিব লাগিব। কিন্তু বৰ্তমানৰ স্থানত আদালত চৌহদ নিৰ্মাণৰ সুবিধা নাই। তেওঁ লগতে কয়, যে আদালত চৌহদ উত্তৰ গুৱাহাটীলৈ স্থানান্তৰ কৰাটো ৰাজ্য চৰকাৰৰ সিদ্ধান্ত নহয়। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পূৰ্ণ বিচাৰপীঠে আদালত চৌহদ স্থানান্তৰৰ সিদ্ধান্ত লৈছিল। উল্লেখযোগ্য যে, গুৱাহাটী হাইকৰ্ট বাৰ এচ'ছিয়েছনে উচ্চ ন্যায়ালয়ৰ চৌহদ উত্তৰ গুৱাহাটীলৈ স্থানান্তৰ কৰাৰ তীব্ৰ বিৰোধিতা কৰি আহিছে। উল্লেখযোগ্য যে মহাধিবক্তা দেৱজিৎ শইকীয়াই ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ সচিব হিচাপে দায়িত্ব লাভ কৰাৰ পৰিপ্ৰেক্ষিতত অধিবক্তা সমাজে আজি তেওঁক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰিছিল।

০০০০

স্বচ্ছ শক্তিৰে জনসাধাৰণৰ বিদ্যুতৰ চাহিদা পূৰণ কৰাৰ অৰ্থে চৰকাৰে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ যোজনাৰ অধীনত ৰাজ্যৰ ৬ হাজাৰ ৫০০টা পৰিয়ালে নিজৰ ঘৰৰ ছাদত সৌৰ পেনেল স্থাপন কৰি বিদ্যুৎ সেৱা লাভ কৰিবলৈ সমৰ্থ হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমৰ এটা বাৰ্তাত এই কথা উল্লেখ কৰি কয়, যে এই সৌৰ পেনেলৰ জৰিয়তে ২৪ মেগাৱাটতকৈ অধিক শক্তি উৎপাদন কৰিব পৰা যায়। ইয়াৰ ফলত ৰাহি হোৱা বিদ্যুতৰ সঞ্চয়ো সম্ভৱ হৈ উঠিছে বুলি ড° শৰ্মাই প্ৰকাশ কৰিছে।

০০০০

ৰাজ্যৰ উচ্চ মাধ্যমিক বিদ্যালয়সমূহত কৰ্মৰত ৪ হাজাৰ ৬৬০ গৰাকী ঠিকাভিত্তিক অতিৰিক্ত শিক্ষকক অহা ১৫ ফেব্ৰুৱাৰীত ৰাজ্য চৰকাৰে নিয়মীয়া শিক্ষক হিচাপে নিযুক্তি পত্ৰ বিতৰণ কৰিব। এই সন্দৰ্ভত মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ সঞ্চালক মমতা হোজায়ে সকলো জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকলৈ পত্ৰ প্ৰেৰণ কৰি নিযুক্তি পত্ৰ বিতৰণৰ বিষয়ে ঠিকাভিত্তিক শিক্ষকসকলক অৱগত কৰিবলৈ নিৰ্দেশ দিছে। ঠিকাভিত্তিক শিক্ষকসকলে তেওঁলোকৰ চাকৰি নিয়মীয়াকৰণৰ বাবে সময়ে সময়ে চৰকাৰক দাবী জনাই আহিছিল। সেই অনুসৰি ২০২৪ চনৰ ১৩ ছেপ্তেম্বৰত অসম চৰকাৰৰ মন্ত্ৰীসভাই ঠিকাভিত্তিক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

০০০০

উজনি মাজুলীৰ ৯২ নম্বৰ চিৰাম দেউৰী প্ৰাথমিক বিদ্যালয় প্ৰাংগনত আজি আয়ুষ্মান আৰোগ্য শিবিৰ আৰু নিক্ষয় শিবিৰ অনুষ্ঠিত হয়। মাজুলী জিলা স্বাস্থ্য বিভাগে মাজৰ দেউৰী আয়ুষ্মান আৰোগ্য মন্দিৰৰ সৌজন্যত এই অনুষ্ঠানৰ আয়োজন কৰে। অনুষ্ঠানত **স্পৰ্শ-কুষ্ঠৰোগ সজাগতা অভিযান**ৰ অধীনত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত কুষ্ঠৰোগ সম্পৰ্কে সজাগতা অনাৰ উদ্দেশ্যে এখন সজাগতামূলক সভা অনুষ্ঠিত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন বিকাশৰ বাবে যোগাসনৰ শিক্ষাও প্ৰদান কৰা হয়। জিলাখনৰ বিভিন্ন স্থানত উৰিয়ামপাৰা উপস্বাস্থ্য কেন্দ্ৰৰ দ্বাৰা যক্ষ্মা ৰোগ সম্পৰ্কে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়।

০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ ৩ খনীয়া একদিনীয়া ক্ৰিকেট শৃংখলাৰ আজি নাগপুৰত অনুষ্ঠিত প্ৰথমখন খেলত ভাৰতে ইংলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ইংলেণ্ডে ৪৭ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৮ ৰান সংগ্ৰহ কৰে। ইংলেণ্ডৰ হৈ জছ বাটলাৰে সৰ্বাধিক ৫২ আৰু জেকব বেথেলে ৫১ ৰান কৰে। ভাৰতৰ হৈ ৰবীন্দ্ৰ জাদেজাই ৯ অভাৰত ২৬ ৰানৰ বিনিময়ত ৩ টা উইকেট দখল কৰে। হৰ্ষিত ৰানাই ৫৩ ৰানৰ বিনিময়ত ৩টা উইকেট দখল কৰে। ইয়াৰ প্ৰত্যুত্তৰত ভাৰতে ৩৮ অভাৰ ৪ টা বলত ৬টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ভাৰতৰ হৈ সুভমন গীলে ৯৬ টা বলত ৮৭ ৰান কৰাৰ বিপৰীতে শ্ৰেয়াছ আয়াৰে ৩৬ টা বলত ৫৯ ৰান আৰু অক্ষৰ পেটেলে ৪৭ টা বলত ৫২ ৰানৰ বৰঙণি আগবঢ়ায়।

০০০০

সমাপ্ত